# দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

## গুৱাহাটী বিশ্ববিদ্যালয়

## গৃহপঞ্জী

### তৃতীয় ষাণ্মাসিক

### অসমীয়াৰ স্নাতকোত্তৰ, ২০১২-২০১৩

<u>নিৰ্দেশাৱলী</u> ঃ

১) *বিদ্যাৰ্থীসকলৰ নাম, শৈক্ষিক বৰ্ষ, ৰোল নং আৰু শিৰোনাম (প্ৰশ্নৰ) ওপৰৰ পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।*

২) *প্ৰতিখন কাকতৰ বাবে দুটাকৈ প্ৰশ্ন থাকিব আৰু প্ৰতিটো প্ৰশ্নোত্তৰ ৫০০ শব্দৰ ভিতৰত হ'ব লাগিব। অতিৰিক্ত শব্দ সংখ্যাৰ বাবে ঋণাত্মক মূল্যায়ণ হ'ব।*

৩) *প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ৮। মুঠ মূল্যাংক ১৬ (৮ X ২)।*

৪) *বিদ্যাৰ্থীসকলে প্ৰশ্নোত্তৰসমূহ পৰিস্কাৰ হাতৰ আখৰেৰে **A4** আকৃতিৰ কাগজৰ এপিঠিত লিখি জমা দিব পাৰিব। লিখোতে প্ৰতিটো পৃষ্ঠাৰে চাৰিওফালে এক ইঞ্চিকৈ খালি ঠাই এৰিব লাগিব।*

৫) *ব্যৱসায়িক ভিত্তিত বিক্ৰী কৰা প্ৰশ্নোত্তৰ জমা দিয়াটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।*

৬) *গৃহপঞ্জীসমূহ ২০১৩ ইংৰাজী বৰ্ষৰ **অক্টোৱৰ মাহৰ ৩০ তাৰিখ অথবা তাৰ আগতে** জমা দিব লাগিব। পলমকৈ জমা দিয়া গৃহপঞ্জী গ্ৰহণযোগ্য নহ'ব।*

---

### <u>আটাইবোৰ প্ৰশ্নই বাধ্যতামূলক। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক ৮</u>

**পাঠ্যবিষয় ঃ ৩.১**

১। 'দিহিঙ্গীয়া ৰজা' পাঠটিৰ ঘটনাসমূহৰ মাজেৰে সমসাময়িক অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট কেনেদৰে চিত্ৰিত হৈছে, বিশ্লেষণ কৰি দেখুওৱাক।

২। 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থখনৰ পাঠ্যক্ৰমত সন্নিবিষ্ট গদ্যাংশৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতিৰ বৈশিষ্ট্য সম্পৰ্কে পৰ্যালোচনা কৰক।

**পাঠ্যবিষয় ঃ ৩.২**

১। ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' উপন্যাসখনত জনজাতীয় সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে চিত্ৰিত হৈছে আলোচনা কৰক।

২। ৰাজনৈতিক উপন্যাসৰ বৈশিষ্ট্য কি? 'মৃত্যুঞ্জয়' উপন্যাসখনত এই বৈশিষ্ট্যসমূহ কিমানদূৰ প্ৰতিফলিত হৈছে বিচাৰ কৰক।

**পাঠ্যবিষয় ঃ ৩.৩**

১। 'চুটিগল্পৰ সংহতি, ব্যঞ্জনা আদিৰ পৰিবৰ্তে বেজবৰুৱাৰ গল্পসমূহ বিশ্লেষণধৰ্মী' —কাশীবাসী গল্পটিৰ আধাৰত কথাষাৰিৰ তাৎপৰ্য ব্যাখ্যা কৰক।

২। গল্পকাৰ যোগেশ চন্দ্ৰ দাসৰ চুটিগল্পৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰি সেই বৈশিষ্ট্যসমূহ 'পৃথিৱীৰ অসুখ' গল্পটিত কেনেদৰে ৰূপায়িত হৈছে বুজাই লিখক।

**পাঠ্যবিষয় ঃ ৩.৪**

১। 'পাঠ-সমীক্ষা' মানে কি? পুৰণি অসমীয়া সাহিত্যৰ ক্ষেত্ৰত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিশদভাৱে আলোচনা কৰক।

২। 'পাঠ-সমীক্ষা' পদ্ধতিত 'সাক্ষ্য'ই কিদৰে গুৰুত্ব ভূমিকা গ্ৰহণ কৰে পৰ্যালোচনা কৰক।

**<u>তলৰ যিকোনো এটা শাখাৰ পৰা উত্তৰ কৰিব</u>**

**পাঠ্যবিষয় ঃ ৩.৫ ক (সাহিত্য শাখা)**

১। তুলনাত্মক সাহিত্যৰ বিভিন্ন সংজ্ঞাসমূহ দাঙি ধৰি ইয়াৰ গ্ৰহণযোগ্য সংজ্ঞাটি বিবেচনা কৰক।

২। 'অনুবাদ' কি? তুলনাত্মক সাহিত্য অধ্যয়নত অনুবাদৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

**পাঠ্যবিষয় ঃ ৩.৫ খ (ভাষা শাখা)**

১। মানুহৰ ভাষা আহৰণ সম্পৰ্কে মনোবিজ্ঞানে কি কি গুৰুত্বপূৰ্ণ সিদ্ধান্ত আগবঢ়াইছে? পৰ্যালোচনা কৰক।

২। 'শৈলীবিজ্ঞান' মানে কি? ই ভাষাৰ কি কথা বিশ্লেষণ কৰে?

# <u>প্ৰশ্নোত্তৰৰ নমুনা</u>

**প্ৰশ্ন ঃ** শংকৰদেৱৰ নাটসমূহৰ পৰিচয় দাঙি ধৰি নাটসমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

**উত্তৰ ঃ**

**ভূমিকা ঃ** অংকীয়া নাট মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কলাত্মক সৃজনী প্ৰতিভাৰ অপূৰ্ব নিদৰ্শন। শংকৰদেৱৰ ৰচনা অথবা সেই সময়ত এই 'অংকীয়া নাট' নামটোৰ প্ৰচলন ঘটা দেখা নাযায়। পৰৱৰ্তী সময়তহে শংকৰদেৱ আৰু মাধৱদেৱৰ নাট কেইখনক সামৰি 'অংকীয়া নাট' নামটোৰ প্ৰচলন ঘটে আৰু এই নামেৰে নাটসমূহ জনপ্ৰিয় হৈ পৰে। মধ্যযুগৰ অসমীয়া নাট্যানুষ্ঠান পুতলা নাচ, ওজাপালি অনুষ্ঠান আৰু অন্যান্য লোক-নাট্যানুষ্ঠানৰ বিভিন্ন নাটকীয় কলা-কৌশলৰ সৈতে সংস্কৃত নাট্য-শাস্ত্ৰৰ নীতি-নিয়মৰ সংযোজন ঘটাই সৃষ্টি কৰা এক অংক বিশিষ্ট বিশেষ নাট্য কলাকে **'অংকীয়া নাট'** আখ্যা দিয়া হৈছে।

**শংকৰদেৱৰ নাটক ঃ** চৰিত পুথিৰ মতে শংকৰদেৱে প্ৰথম অৱস্থাত 'চিহ্নযাত্ৰা' নাটৰ পৰিকল্পনা আৰু নিবেদনেৰে তেওঁৰ নাট্য জীৱন আৰম্ভ কৰিছিল। 'চিহ্নযাত্ৰা'ৰ কোনো লিখিত প্ৰতিলিপি পোৱা নাযায়। বৰ্তমানলৈ শংকৰদেৱৰ ছখন নাটক পোৱা গৈছে। সেই ছখন হ'ল— <u>পত্নীপ্ৰসাদ</u>, <u>কালিয়দমন</u>, <u>কেলিগোপাল</u>, <u>ৰুক্মিণীহৰণ</u>, <u>পাৰিজাত হৰণ</u> আৰু <u>ৰামবিজয়</u>। ইয়াৰ <u>ৰামবিজয়</u>ৰ বাহিৰে বাকীকেইখন নাটকৰ কাহিনীভাগ <u>ভাগৱত-পুৰাণ</u>ৰ পৰা আৰু <u>ৰামবিজয়</u> নাটৰ কাহিনীভাগ <u>ৰামায়ণ</u>ৰ আদিকাণ্ডৰ পৰা গ্ৰহণ কৰা হৈছে। অৱশ্যে মহাপুৰুষজনাই <u>পাৰিজাত হৰণ</u>ৰ ক্ষেত্ৰত <u>হৰিবংশ</u>ৰ পৰাও সমল গ্ৰহণ কৰিছে।

এই নাটসমূহৰ ভিতৰত <u>কেলিগোপাল</u> কাব্যধৰ্মীতাত আৰু <u>পাৰিজাত হৰণ</u> নাট্যধৰ্মত শ্ৰেষ্ঠ। <u>ৰুক্মিণীহৰণ</u> নাটখন কলেৱৰত আটাইতকৈ ডাঙৰ। সংলাপ আৰু চৰিত্ৰ সৃষ্টি এই দুয়োটা দিশতে অংকীয়া নাট ৰচনাত বিশেষ গুৰুত্ব দিয়া নহয়। <u>পাৰিজাত হৰণ</u>ত এই দুয়োটা দিশতে বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। নাট হিচাপে ই নিসন্দেহে শ্ৰেষ্ঠ।

**শংকৰদেৱৰ নাটসমূহৰ সাধাৰণ বৈশিষ্ট্য ঃ** শংকৰদেৱৰ নাটসমূহৰ কেতবোৰ সাধাৰণ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। সেইবোৰ হ'ল—

(ক) <u>ৰামবিজয়</u>ৰ বাহিৰে তেওঁৰ আটাইকেইখন নাটক <u>ভাগৱত</u>ৰ দশম স্কন্ধৰ ভেটিত প্ৰতিষ্ঠিত।

(খ) তেওঁৰ নাটসমূহত সাধাৰণতে দুটাকৈ নান্দীশ্লোক ব্যৱহাৰ কৰা হৈছে। এনে শ্লোকত ব্যৱহৃত ছন্দ হৈছে শাৰ্দুল বিক্ৰিড়িত।

(গ) শংকৰদেৱৰ প্ৰায়বোৰ নাটৰেই ভটিমাৰ সংখ্যা সাধাৰণতে দুটা। অৱশ্যে, <u>ৰুক্মিণীহৰণ</u> আৰু <u>ৰামবিজয়</u> নাটত চাৰিটাকৈ ভটিমা প্ৰয়োগ কৰা হৈছে।

(ঘ) শংকৰদেৱৰ ৰচনাৱলীৰ ভাষা সাহিত্যিক গুণেৰে সমৃদ্ধ। নাট্যকাৰে প্ৰয়োজন অনুসাৰে উপমাদি অলংকাৰৰ প্ৰয়োগ ঘটোৱাৰ লগতে ঠাই বিশেষে স্থানীয় ৰহন সানি নাট্যবস্তু আকৰ্ষণীয় কৰি তুলিছে।

(ঙ) কোনো কোনো ক্ষেত্ৰত চৰিত্ৰ আৰু পৰিস্থিতিৰ বৰ্ণনাই সমৰূপতা লাভ কৰিছে। ৰুক্মিণী আৰু সীতাৰ ৰূপৰ সাদৃশ্য এনে ক্ষেত্ৰত মনকৰিবলগীয়া।

(চ) নায়িকাৰ ৰূপৰ বৰ্ণনাৰ লগতে নায়িকাৰ ৰূপত মুগ্ধ হৈ বিৰোধী পক্ষৰ নৃপতিসকলে কৰা আচৰণৰ ক্ষেত্ৰত প্ৰায়বোৰ নাটকত সাদৃশ্য পৰিলক্ষিত হয়।

(ছ) শংকৰদেৱৰ নাটসমূহত ব্যৱহৃত সংস্কৃত শ্লোকসমূহত সাধাৰণতে অনুষ্টুপ ছন্দৰ প্ৰয়োগ কৰা হৈছে।

(জ) শংকৰদেৱৰ নাটসমূহৰ নায়ক প্ৰায়েই ভগৱান শ্ৰীকৃষ্ণ (<u>ৰামবিজয়</u>ত শ্ৰীৰামচন্দ্ৰ)। তেওঁ নায়ক চৰিত্ৰৰ মানৱীয় আৰু অলৌকিক উভয় দিশ নাটকৰ যোগেদি ফুটাই তুলিবৰ যত্ন কৰিছে।

(ঝ) শংকৰদেৱৰ নাটসমূহত শৃঙ্গাৰ, বীৰ, ভয়ানক, কৰুণ ইত্যাদি বিবিধ ৰসৰ অভিব্যঞ্জনা থাকিলেও সৰ্বগ্ৰাসী ৰূপত ভক্তিৰসে আত্মপ্ৰকাশ লাভ কৰিছে। '<u>কেলিগোপাল</u>', '<u>ৰুক্মিণীহৰণ</u>', '<u>পাৰিজাতহৰণ</u>' আৰু '<u>ৰামবিজয়</u>'ত শৃঙ্গাৰ ৰসৰ প্ৰাধান্য থাকিলেও সি শেষত ভক্তিৰসত বিলীন হৈ শৃঙ্গাৰাত্মক ভক্তিৰসত পৰিণত হৈছে।

(ঞ) প্ৰেমিক-প্ৰেমিকা নাইবা নায়ক-নায়িকাৰ মাজত পূৰ্বৰাগ, মিলন আদিৰ সৃষ্টিৰ বাবে তেওঁ প্ৰায়েই ভাট চৰিত্ৰৰ সহায় লৈছে। <u>ৰুক্মিণীহৰণ</u>, <u>ৰাম বিজয়</u> আদিত এনে চৰিত্ৰৰ ভূমিকা অধিক।

(ট) শংকৰদেৱৰ নাটসমূহৰ আকৰ্ষণীয়তাৰ মূলতেই নাটকীয় গীতসমূহৰ অপূৰ্ব প্ৰভাৱৰ কথা স্বীকাৰ কৰিব লাগিব। <u>কেলিগোপাল</u> নাটকত এনে গীতৰ প্ৰাধান্য অধিক।

**সামৰণি ঃ** মহাপুৰুষ শংকৰদেৱ এগৰাকী কলাত্মক সৃজনী প্ৰতিভাসম্পন্ন অপ্ৰতিদ্বন্দ্বী নাট্যকাৰ। একাধিক গ্ৰন্থৰ সাৰ সংগ্ৰহেৰে তেওঁ অপূৰ্ব নাট্যসম্ভাৰ সৃষ্টি কৰিছে। অসমীয়া জাতীয় জীৱনত নাটক আৰু অভিনয়ৰ এক সু-শৃংখলিত পৰম্পৰাৰে জনসাধাৰণক নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰি তোলাত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সংস্কৃত নাটকৰ আৰ্হি গ্ৰহণ কৰিলেও তেওঁ থলুৱা লোক-নাট্যানুষ্ঠানসমূহৰ আংগিকৰ সাৰ্থক প্ৰয়োগৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ ফলস্বৰূপে তেওঁৰ নাটসমূহ অধিক বৈশিষ্ট্যপূৰ্ণ হৈ পৰিছে।

---

*এই লেখনীটো আৰ্হি হিচাপেহে প্ৰস্তুত কৰা হৈছে। বিদ্যাৰ্থীসকলে লেখনীটোৰ পাঠ্যিখিনিক গুৰুত্ব নিদিয়ে যেন।*